# একবিংশ শতিকাৰ প্ৰথম দশকলৈ ‘গৰীয়সী’ আলোচনীত প্ৰকাশিত উপন্যাসৰ ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

## (লক্ষ্মীনন্দন বৰা আৰু পূৰবী বৰমুদৈৰ উপন্যাসৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অন্তৰ্গত অসমীয়া বিভাগৰ
অধীনত পিএইচ. ডি. ডিগ্ৰী প্ৰাপ্তিৰ বাবে প্ৰদত্ত
গৱেষণা গ্ৰন্থ


**কংকন তালুকদাৰ**

অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ, বি.টি.আৰ., অসম


২০২৫

# EKABIṆŚA ŚATIKĀR PRATHAM DAŚAKALOI GARIYOSHĪ ĀLOCHANĪT PRAKĀŚITA UPANYĀSAR BHĀṢĀ : ĒṬI BIŚLĒṢAṆĀTMAK ADHYAYAN

## (LAKṢMĪNANDAN BORĀ ĀRU PŪRABĪ BORMUDOIR UPANYĀSAR BIŚĒṢ ULLIKHANSAHA)

[ A THESIS SUBMITTED TO BODOLAND UNIVERSITY FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE SUBJECT OF ASSAMESE IN THE FACULTY OF LANGUAGE ]

*Submitted by :*

KANGKAN TALUKDAR
**Assamese Department**
**Bodoland University**

**2025**

**Dr. Sumi Kalita**
Associate Professor
Department of Assamese
Bodoland University
Rangalikhata, Deborgaon

Ph. No.: 8723047493
Email : drsumi0000@gmail.com

*Ref........................* *Date...........................*

# CERTIFICATE

I have the pleasure to certify that the thesis entitled **"EKABIṆŚA ŚATIKĀR PRATHAM DAŚAKALOI GARIYOSHĪ ĀLOCHANĪT PRAKĀŚITA UPANYĀSAR BHĀṢĀ : ĒṬI BIŚLĒṢAṆĀTMAK ADHYAYAN (LAKṢMĪNANDAN BORĀ ĀRU PŪRABĪ BORMUDOIR UPANYĀSAR BIŚĒṢ ULLIKHANSAHA)"** submitted by Kangkan Talukdar for the Degree of Doctor of Philosophy in the Department of Assamese is an original work under my guidance & supervision. He has fulfilled all the requirements under the Ph.D rules of Bodoland University for submitting a thesis. To the best of my knowledge this thesis is the result of his own investigation and the thesis has not been submitted to this or any other University either in whole or in part for any research degree.

Date : **(Sumi Kalita)**

# DECLARATION

I, Kangkan Talukdar, hereby declare that the thesis entitled **"EKABIṆŚA ŚATIKĀR PRATHAM DAŚAKALOI GARIYOSHĪ ĀLOCHANĪT PRAKĀŚITA UPANYĀSAR BHĀṢĀ : ĒṬI BIŚLĒṢAṆĀTMAK ADHYAYAN (LAKṢMĪNANDAN BORĀ ĀRU PŪRABĪ BORMUDOIR UPANYĀSAR BIŚĒṢ ULLIKHAṆSAHA)"** was not submitted by me any research degree to this University or any other University or Institution.

Date :

**(Kangkan Talukdar)**

# পাতনি

বিংশ শতিকা অসমীয়া আলোচনীৰ বিস্তাৰৰ কাল। উনবিংশ শতিকাৰ মধ্যভাগত 'অৰুণোদয়' (১৮৪৬-১৮৮২)ৰ মাজেৰে জন্ম লাভ কৰা অসমীয়া কাকত আৰু আলোচনীৰ ধাৰাটোৱে পৰৱৰ্তী সময়ত জোনাকী, আসাম বন্ধু, বিজুলী আদিৰ মাজেৰে আগবাঢ়ি বিংশ শতিকাত আসাম বন্তি, ঊষা, চেতনা, বাঁহী, আসাম বান্ধৱ, জয়ন্তী, সুৰভি, পচোৱা, ৰামধেনু, বিস্ময়, ত্ৰিশূল, সফুঁৰা, প্ৰকাশ, প্ৰান্তিক, নতুন পদাতিক আদিৰ লেখীয়া আলোচনীৰ মাজেৰে আগবাঢ়ি অতি সাম্প্ৰতিকত প্ৰায় এশ পয়সত্তৰ বছৰীয়া দীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰি সাহিত্যালোচনীৰ ক্ষেত্ৰখনক ব্যাপ্ত আৰু সমৃদ্ধ কৰি তুলিছে। অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা কৰিবলৈ গ'লে এনে সাহিত্যালোচনীসমূহৰ দিশত সূক্ষ্ম পৰ্যবেক্ষণৰ লগতে গৱেষণামূলক অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰে। ইয়াৰ উপলব্ধি 'অৰুণোদয়'ৰ জন্ম আৰু পৰৱৰ্তী সময়ত কাকতখনৰ প্ৰভাৱৰ পৰাই কৰিব পাৰি। ১৮৩৬ চনত অসমভূমিৰ অফিচ, কাছাৰী, আদালত, শিক্ষানুষ্ঠান আদিৰ পৰা অসমীয়া ভাষাক এলাগী কৰি বাংলা ভাষাক জোৰকৈ জাপি দিয়াৰ সময়ছোৱাত ভাষাটোক পুনৰ উদ্ধাৰত ব্যৱহৃত বৌদ্ধিক অস্ত্ৰবিধেই আছিল এই আলোচনীখন। অৰুণোদয়ৰ লগতে জোনাকী, আৱাহন, জয়ন্তী, ৰামধেনু আদি আলোচনীৰ নামেৰে একো একোটা সাহিত্যৰ যুগৰ নামকৰণেও ভাষা সাহিত্যৰ উত্তৰণত সাহিত্য আলোচনীৰ ভূমিকাকেই ব্যক্ত কৰে।

অসমীয়া আলোচনীৰ ধাৰাত 'গৰীয়সী'ৰ উল্লেখযোগ্য স্থান আছে। প্ৰকাশ, মণিদীপ আদিৰ লেখীয়া উচ্চমানদণ্ডসম্পন্ন আৰু পাঠকৰ মনোমুগ্ধ আলোচনীৰ জন্ম আৰু সম্পাদনাৰ লগত জড়িত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ প্ৰচেষ্টাত ১৯৯৩ চনৰ অক্টোবৰ মাহত 'গৰীয়সী' নামৰ আলোচনীখন প্ৰকাশিত হৈছিল। ন-ন সাহিত্য সৃষ্টিৰ মাজেৰে সাহিত্যৰ গতিধাৰাক সমৃদ্ধ কৰিবলৈ প্ৰযত্ন কৰা আলোচনীখনে নতুন সাহিত্যৰ উপৰি এদল নতুন সচেতন আৰু দায়বদ্ধ লেখক-পাঠকৰো সৃষ্টি কৰিছে।

ব্যক্তিগতভাৱেও শৈশৱৰে পৰা 'গৰীয়সী' আমাৰ তেনেই চিনাকি। অসমীয়া বিষয়ত

স্নাতক আৰু স্নাতকোত্তৰ পঢ়ি থাকোঁতে নিয়মীয়াকৈ ‘গৰীয়সী’ পঢ়িছিলোঁ। তেতিয়াই আলোচনীখনৰ ভাব, ভাষা, ৰস, আংগিক আদি অধ্যয়নৰ প্রতি আগ্ৰহ উপজিছিল। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ত পোৱা গৱেষণাৰ সুযোগে সেই আগ্ৰহক সফল কৰি তুলিলে। ইয়াৰ বাবে চিৰদিনে বিভাগৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম।

তাৰিখ ঃ

**কংকন তালুকদাৰ**

# কৃতজ্ঞতা জ্ঞাপন

বড়োলেণ্ড বিশ্ববিদ্যালৰ ভাষা শাখাৰ অসমীয়া বিভাগত গৱেষণাৰ সুযোগ দিয়াৰ বাবে পোনতে মই বড়োলেণ্ড বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আন্তৰিক ধন্যবাদ জনালোঁ। গৱেষণা কৰ্মৰ আৰম্ভণিৰে পৰা শেষ মুহূৰ্তলৈ প্ৰতিটো সময়তে হাতত ধৰি বাট দেখুওৱা শ্ৰদ্ধাৰ গৱেষণা গুৰু ড° চুমী কলিতা বাইদেউৰ লগতে যাৱতীয় দিহা-পৰামৰ্শৰে আমাক অনুগৃহীত কৰা আৰু প্ৰতিটো সময়তে উৎসাহ যোগোৱা বিভাগৰ আটাইকেইগৰাকী শিক্ষাগুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষাগুৰু তথা ইংৰাজী বিভাগৰ অধ্যাপক প্ৰদীপ কুমাৰ পাত্ৰ আৰু ড° মানৱ মেধি ছাৰক আন্তৰিক ধন্যবাদ আৰু সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

অভিভাৱকসম মৰম, স্নেহ আৰু শাসনেৰে গৱেষণা কৰ্ম শেষ কৰাত অহৰহ তাগিদা দিয়া কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ আটাইকেইগৰাকী শিক্ষক, অধ্যক্ষ ড° ডিমাছা দৈৱাং মুছাহাৰী, প্ৰাক্তন অধ্যক্ষ ড° বনবীনা ব্ৰহ্ম আৰু ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নয়নজ্যোতি দাসক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

গৱেষণাৰ সমল সংগ্ৰহত বিশেষভাৱে সহায়ক হোৱা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় আৰু কেন্দ্ৰীয় পুথিভঁৰাল, নলবাৰী জিলা পুথিভঁৰাল, গোৱালপাৰা জিলা পুথিভঁৰাল, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, বি. এইচ. বি. মহাবিদ্যালয় পুথিভঁৰাল আৰু নলবাৰীস্থিত প্ৰেৰণা পুথিভঁৰালৰ কৰ্মকৰ্তাসকলক আন্তৰিক ধন্যবাদ জনালোঁ। 'গৰীয়সী'ৰ কেইবাটাও সংখ্যা ব্যক্তিগতভাৱে যোগান ধৰি কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° হেমন্ত কুমাৰ দাস আৰু নলবাৰীস্থিত প্ৰেৰণা পুথিভঁৰালৰ মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মা ছাৰে আমাৰ গৱেষণাক আগবঢ়াই নিয়াত বিশেষভাৱে উদ্যোগ লৈছে। দুয়োগৰাকী সন্মানীয় অগ্ৰজকে আন্তৰিক কৃতজ্ঞতা আৰু প্ৰণাম জনাইছোঁ।

যাৰ খং-অভিমান, শাসন অবিহনে এই গৱেষণা কৰ্মৰ কাছখোজ কেতিয়াও আগনাবাঢ়িলেহেঁতেন, সহোদৰৰ চেনেজৰীৰে বান্ধি পেলোৱা সেই সুহৃদ ড° গোবিন্দ বৈশ্য,

কৌশিক ঠাকুৰীয়া আৰু কৃষ্ণা পাটোৱাৰীক আন্তৰিক ধন্যবাদ জনালোঁ।

যাৰ আঙুলিত ধৰি খোজকাঢ়িবলৈ শিকিছিলোঁ আৰু যাৰ স্নেহৰ উমত শৈশৱ কটাইছিলোঁ সেই পৰম পূজনীয় পিতৃ প্ৰয়াত কুলধৰ তালুকদাৰ আৰু প্ৰয়াত সহোদৰ দ্বীপজ্যোতি তালুকদাৰ দাদাক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। প্ৰতিটো চিন্তা আৰু কামতে ছায়া হৈ ৰোৱা মা প্ৰণিতা তালুকদাৰ, বাইদেউ-ভিনদেউ নমিতা তালুকদাৰ-নৱদ্বীপ দাস, ভাইটি-ভাই বোৱাৰী অংকুৰ তালুকদাৰ-জ্যোতি চৌধুৰী, বান্ধৱী বিউটী দাস, অপৰাজিতা ৰয়, কাশ্মিৰী দাস আৰু কংকনা ডেকাক আন্তৰিক ধন্যবাদ জনালোঁ।

গৱেষণা গ্ৰন্থখনৰ কাৰিকৰী দিশত বিশেষভাৱে সহায় কৰা শ্ৰদ্ধাৰ হাচান আলী দাদা আৰু কৃষ্ণা হাজৰিকা বাইদেউক ধন্যবাদ জনালোঁ।

**তাৰিখ ঃ** **কংকন তালুকদাৰ**

# সংক্ষিপ্ত শব্দসূচী

| **<u>মূল শব্দ</u>** | **<u>সংক্ষিপ্ত ৰূপ</u>** |
|---|---|
| পৃষ্ঠা | পৃ. |
| প্ৰাইভেট | প্ৰা. |
| সম্পাদনা | সম্পা. |
| সংকলন | সং. |
| পূৰ্ণাংগ গ্ৰন্থ | পূ.গ্ৰ. |
| সেহি গুণনিধি | সে.গু. |
| গতি মতি ভকতি | গ.ম.ভ. |
| গজৰাজ, প্ৰেম আৰু বন্দীত্ব | গ.প্ৰে.আ.ব. |
| এটা আলিবাটৰ ইতিকথা | এ.আ.ই. |
| পৰম পূজনীয় | প.পূ. |
| Edited | Ed. |
| Limited | Ltd. |
| Page | P. |

# সাংকেতিক চিহ্ন

| | |
|---|---|
| // | বিশিষ্ট ধ্বনি বুজোৱা সূচক |
| > | কোনো শব্দৰ পৰিৱৰ্তিত ৰূপ বুজাবলৈ |
| ! | ভাববোধক, তীব্ৰ অনুভূতি প্ৰকাশক চিহ্ন |
| .......... | উদ্ধৃত প্ৰসংগৰ নিলিখাকৈ ৰখা অংশ বুজাবলৈ |
| / | বিকল্প অৰ্থ প্ৰকাশক |
| — | দুটা শব্দৰ মাজৰ দূৰত্ব বুজাবলৈ |
| : | দুটা অংশৰ মাজৰ সম্পৰ্ক বুজাবলৈ |
| - | হাইফেন, দুটা ৰূপ লগ লগা বুজাইছে |
| ? | প্ৰশ্নসূচক |